# প্ৰেছ বিজ্ঞপ্তি

## বোকাখাতৰ জে ডি এছ জি মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ উদ্যোগত আন্তৰ্জাতিক মাতৃভাষা দিৱস উদ্‌যাপন

আজি ইংৰাজী ২১ ফেব্ৰুৱাৰী ২০২৬ তাৰিখে আন্তৰ্জাতিক মাতৃভাষা দিৱসৰ লগত সংগতি ৰাখি বোকাখাতৰ জে ডি এছ জি মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ উদ্যোগত এখনি বক্তৃতানুষ্ঠান আৰু এখনি সাহিত্য প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয়। অসমৰ ভাষা আন্দোলনৰ শ্বহীদসকলৰ প্ৰতি শ্ৰদ্ধাঞ্জলি জনাই পুৱা ০৯:৩০বজাত আন্তৰ্জাতিক মাতৃভাষা দিৱস অনুষ্ঠানটিৰ আৰম্ভণি কৰা হয়। এই স্বহীদ তৰ্পন অনুষ্ঠানত বন্তি প্ৰজ্বলন কৰে মহাবিদ্যালয়ৰ ৰাজনীতি বিজ্ঞান বিভাগৰ অধ্যাপিকা ড° শান্তিছায়া বৰুৱা আৰু অৰ্থনীতি বিজ্ঞান বিভাগৰ অধ্যাপিকা নিভাননী বৰুৱাৰ লগতে বিভাগৰ হৈ কৃষ্ণ ৰংপিয়ে। ইয়াৰ পাছতে মহাবিদ্যালয়ৰ অধ্যাপক অধ্যাপিকা আৰু ছাত্ৰ-ছাত্ৰীসকলৰ দ্বাৰা পৰিৱেশন কৰা সমৱেত সংগীতৰ অন্তত সাহিত্য প্ৰতিযোগিতাখনি উদ্বোধন কৰে ড° শান্তিছায়া বৰুৱাই। সাহিত্য প্ৰতিযোগিতাখনিৰ আকস্মিক বক্তৃতা শিতানত মহাবিদ্যালয়ৰ বিভিন্ন বিভাগৰ ছাত্ৰ ছাত্ৰীসকলে অংশগ্ৰহণ কৰে আৰু প্ৰতিযোগিতাখনিৰ বিচাৰকৰ গুৰুদায়িত্ব পালন কৰে অৰ্থনীতি বিজ্ঞান বিভাগৰ অধ্যাপিকা নিভাননী বৰুৱা, ইংৰাজী বিভাগৰ মুৰব্বী অধ্যাপিকা তথা আভ্যন্তৰীন মান নিৰীক্ষন কোষৰ সমন্বয়ক মনালিচা বৰগোঁহাই আৰু ৰাজনীতি বিজ্ঞান বিভাগৰ অধ্যাপক শশাংক ধৰল শইকীয়াই। সাহিত্য প্ৰতিযোগিতাৰ অন্তত অসমীয়া বিভাগৰ ষষ্ঠ ষান্মাসিকৰ ছাত্ৰী শ্যামলী দাসে এটি কবিতা আবৃত্তি কৰি বক্তৃতা অনুষ্ঠানটিৰ শুভাৰম্ভণি কৰে। বক্তৃতানুষ্ঠানত মূল বক্তা হিচাপে উপস্থিত থাকি মহাবিদ্যালয়ৰ অধ্যক্ষ ড° জয়ন্ত গগৈয়ে বৰ্তমান সময়ৰ প্ৰেক্ষাপটত মাতৃভাষাৰ সংৰক্ষণৰ প্ৰয়োজনীয়তা আৰু বিজ্ঞান প্ৰযুক্তিৰ মাধ্যমেৰে ভাষাটো আগুৱাই নিয়াৰ ক্ষেত্ৰত যুৱ প্ৰজন্মৰ কৰ্তব্য সম্পৰ্কে এটি বক্তৃতা প্ৰদান কৰে। লগতে মহাবিদ্যালয়ৰ উপাধ্যক্ষ প্ৰশান্ত শইকীয়াই আন্তৰ্জাতিক মাতৃভাষা দিৱসৰ লগত সংগতি ৰাখি ছাত্ৰ ছাত্ৰীসকলক উদ্দেশ্যি শিক্ষাৰ মাধ্যম হিচাপে মাতৃভাষাৰ গুৰুত্ব সম্পৰ্কে এক বক্তৃতা আগবঢ়ায়। বক্তৃতা অনুষ্ঠানৰ সামৰণিত সাহিত্য প্ৰতিযোগিতাৰ বঁটাপ্ৰাপকসকলক মহাবিদ্যালয়ৰ অধ্যক্ষ ড° জয়ন্ত গগৈ, মহাবিদ্যালয়ৰ উপাধ্যক্ষ প্ৰশান্ত শইকীয়া আৰু বিচাৰকসকলৰ লগতে ড° শান্তিছায়া বৰুৱা আৰু শিক্ষাতত্ত্ব বিভাগৰ অধ্যাপিকা মঞ্জুমনি নেওগে মান-পত্ৰ আৰু বঁটা প্ৰদান কৰে। অনুষ্ঠানটোৰ সামৰণিত বিভাগৰ হৈ শলাগৰ শৰাই আগবঢ়ায় বিভাগীয় অধ্যাপক কৃষ্ণ ৰংপিয়ে আৰু অনুষ্ঠানটোৰ আঁত ধৰে অসমীয়া বিভাগৰ অধ্যাপক ড° মিতালি নাথ, ড° বিকাশ চেতিয়াৰ লগতে বিভাগৰ স্নাতকোত্তৰ শ্ৰেণীৰ ছাত্ৰী প্ৰস্তুতি হাজৰিকা আৰু স্নাতক শ্ৰেণীৰ ছাত্ৰী শ্যামলী দাসে। অনুষ্ঠানটোত সকলো দিশৰ পৰা সহায় সহযোগ কৰে জে ডি এছ জি মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ লগতে মহাবিদ্যালয়ৰ অন্যান্য বিভাগৰ অধ্যাপক অধ্যাপিকাসকলে।